জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ১৪২/২০২২

# অসম চৰকাৰ আৰু ৰাষ্ট্ৰীয় দুগ্ধ বিকাশ পৰিষদৰ মাজত এক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত

## অসমত শ্বেত বিপ্লৱৰ সূচনা কৰিবলৈ ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১১ মে'** ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এক অনুষ্ঠানত অসম চৰকাৰ আৰু ৰাষ্ট্ৰীয় দুগ্ধ বিকাশ পৰিষদৰ মাজত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিৰ দ্বাৰা পূৰ্ব অসম দুগ্ধ উৎপাদক সমবায় সংঘ লিমিটেড (ইষ্ট আসাম মিল্ক প্ৰডিউচাৰ্চ কোঅপাৰেটিভ ইউনিয়ন লিমিটেড)ৰ কাৰ্যকৰী ব্যৱস্থাপনাৰ দায়িত্ব উক্ত পৰিষদক প্ৰদান কৰা হয়।

অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাষণ প্ৰদান কৰি আশা ব্যক্ত কৰে যে আজিৰ চুক্তিৰ দ্বাৰা পূৰ্ব অসম দুগ্ধ উৎপাদক সমাবায় সংঘ লিমিটেডে আৰ্থিক স্বচ্ছলতা অৰ্জন কৰিবলৈ সক্ষম হ'ব। তেওঁ লগতে কয় যে ২০০৮ চনত পুৰবী ডেইৰীৰ সঞ্চালনাৰ দায়িত্ব ৰাষ্ট্ৰীয় দুগ্ধ বিকাশ পৰিষদৰ হাতত অৰ্পণ কৰাৰ পিছত পুৰবী ডেইৰীয়ে যি সফলতা আহৰণ কৰিবলৈ সক্ষম হৈছিল তেনেদৰে পূৰ্ব অসম দুগ্ধ উৎপাদক সমাবায় সংঘ লিমিটেডেও সফলতা আহৰণ কৰিবলৈ সক্ষম হ'ব।

গুজৰাট আৰু কৰ্ণাটকৰ উদাহৰণ দাঙি ধৰি মুখ্যমন্ত্ৰীয়ে কয় যে যিদৰে পূৰ্ব ভাৰত আৰু দক্ষিণ ভাৰতৰ এই দুখন ৰাজ্যই ক্ৰমে দৈনিক ২ কোটি লিটাৰ আৰু ৮০ লাখ লিটাৰকৈ দুগ্ধ উৎপাদন কৰে তাৰ তুলনাত অসমৰ দুগ্ধ উৎপাদন তেনেই নগণ্য। তেওঁ কয় যে অসমে দৈনিক কেৱল মাত্ৰ ১ লাখ লিটাৰ দুগ্ধ উৎপাদনহে কৰিব পাৰে। অসমত দৈনিক ৪২ লাখ লিটাৰ দুগ্ধৰ প্ৰয়োজন বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই চাহিদা পূৰণ কৰিবলৈ ৰাজ্যখনে বহিঃৰাজ্যৰ পৰা দুগ্ধ আমদানি কৰিবলগীয়া হয়। ইয়াৰ ফলত আমাৰ ৰাজ্যই এক বৃহপৰিমাণৰ ধন ৰাখি বহিঃৰাজ্যলৈ ওলাই যাই বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনতে যাতে প্ৰয়োজনীয় দুগ্ধ উৎপাদন কৰিব পৰা যায় তাৰ বাবে কেতবোৰ বিশেষ কাৰ্যসূচী হাতত ল'ব লাগিব যাতে এক

শ্বেত বিপ্লৱ গঢ়ি তোলাতো সম্ভৱ হৈ উঠে।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অসম চৰকাৰে শ্বেত বিপ্লৱক বাস্তৱায়িত কৰিব পৰাকৈ গুজৰাটৰ পৰা ইতিমধ্যে বহু সংখ্যক গীৰ প্ৰজাতিৰ গাই ক্ৰয় কৰি ৰাজ্যখনলৈ আনিছে আৰু এই সংখ্যা অনাগত দিনত ১৫ হাজাৰলৈ লৈ যোৱাৰ পৰিকল্পনা হাতত লোৱা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে আধুনিক বিজ্ঞান প্ৰযুক্তিৰ ব্যৱহাৰ কৰি কৃত্ৰিম প্ৰজননৰ দ্বাৰা অসমতে উন্নত প্ৰজাতিৰ গৰুৰ পোৱালি উৎপাদনৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ হাতত লৈছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে দুগ্ধ উৎপাদন সমাবায় সমিতি সমূহকো বিশেষ প্ৰশিক্ষণ দি বজাৰ দখল কৰাৰ বাবে চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। চৰকাৰে পশু চিকিৎসাৰ ক্ষেত্ৰখনতো বিশেষ অগ্ৰাধিকৰ প্ৰদান কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে পশুপালক সকলে তেওঁলোকৰ পশুধন সমূহক উন্নত মানদণ্ডৰ চিকিৎসা প্ৰদান কৰিবলৈ সক্ষম হয়।

মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ জৰিয়তে যদিহে এতিয়াৰ তুলনাত ১০ লাখ লিটাৰ দৈনিক দুগ্ধ উৎপাদন কৰিব পাৰে তেতিয়া হ'লে এই অভিযানত কিছু দূৰ সফলতা আহৰণ কৰিব পৰা যাব।

উল্লেখযোগ্য যে আজি মুখ্যমন্ত্ৰীয়ে উক্ত অনুষ্ঠানতে চাংসাৰিত নিৰ্মাণ হৈ উঠা পূৰবী কেটেল ফিড প্লাণ্টৰ শুভাৰম্ভণি কৰে।

আজিৰ অনুষ্ঠানত উপস্থিত থকা অসমৰ কৃষি আৰু পশু পালন মন্ত্ৰী অতুল বৰাই মুখ্যমন্ত্ৰীয়ে লোৱা পদক্ষেপ সমূহৰ ভূয়সী প্ৰশংসা কৰি কয় যে তেওঁৰ নেতৃত্বত অনাগত দিনত অসমে দুগ্ধ উৎপাদনৰ ক্ষেত্ৰত অগ্ৰণী স্থান পাবলৈ সক্ষম হ'ব। তেওঁ লগতে অসমৰ দুগ্ধ পালকসকলক ৰাজ্য চৰকাৰে লোৱা পদক্ষেপসমূহৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

আজিৰ অনুষ্ঠানত ৰাষ্ট্ৰীয় দুগ্ধ বিকাশ পৰিষদ তথা অসম চৰকাৰৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**আয়ন / পুঃডেঃ**
**১১/০৫/২০২২**